# H.S. PRE-FINAL EXAMINATION, 2021-22

## ASSAMESE (MIL)

**Full Marks : 100**

**Time : Three hours**

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ কৰা ঃ 1 × 11 = 11

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ আত্মজীৱন-কথাখনৰ নাম কি?

(খ) অসমীয়া সাহিত্যত প্ৰথম কথা-কবিতা ৰচনা কৰা কবিগৰাকী কোন?

(গ) আনন্দৰাম বৰুৱাৰ কাম আৰু সংকল্প দেখি বিস্ময়াভিভূত হোৱা এজন বিদেশী পণ্ডিতৰ নাম লিখা।

(ঘ) শংকৰদেৱ আৰু মাধৱদেৱৰ প্ৰথম সাক্ষাতক কি বুলি অভিহিত কৰা হয়?

(ঙ) অসমীয়া সাহিত্যত চুফীবাদী ভাবধাৰাৰ কবিতা ৰচনা কৰা এগৰাকী কবিৰ নাম লিখা।

(চ) কোনছোৱা সময়ক কৈশোৰ কাল বুলি জনা যায়?

(ছ) শীলভদ্ৰৰ প্ৰকৃত নাম কি আছিল?

(জ) বসন্ত ৰোগ হোৱাৰ বিজ্ঞানসন্মত কাৰণ কি?

(ঝ) কাঠমিস্ত্ৰীসকলে কাৰ বাবে কাম কৰে বুলি তোমাৰ পাঠ্য কবিতাটিত উল্লেখ কৰিছে?

(ঞ) নিৰ্মলপ্ৰভা বৰদলৈয়ে কোনখন কবিতা পুথিৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

(ট) ভাৰতীয় সংস্কৃতিৰ মূল আধাৰ কি?

২। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ কৰা ঃ (যিকোনো ১৬ টাৰ) 2 × 16 = 32

(ক) 'মোৰ মাতৃমুখ দৰ্শন' পাঠটিত উল্লিখিত 'মাজিও' আৰু 'জ্ঞান'ৰ প্ৰকৃত নাম দুটা কি কি?

(খ) আনন্দৰাম বৰুৱাৰ কোনবোৰ গুণ সদায় অনুকৰণ কৰিবলগীয়া?

(গ) শীলভদ্ৰই লাভ কৰা দুটা বঁটাৰ নাম লিখা।

(ঘ) মাধৱদেৱৰ বৰগীতক ভাৰতবৰ্ষৰ কোন কোন কবিৰ গীতৰ সৈতে তুলনা কৰিব পাৰি?

*Contd.*

(ঙ) কেশৱ মহন্তই শিশুসকলৰ বাবে ৰচনা কৰা দুখন পুথিৰ নাম লিখা।

(চ) 'অভিযান' কবিতা পুথিখন কাৰ ৰচনা? এই পুথিৰ কবিতাসমূহ কি ধাৰাৰ কবিতা বুলি জনা যায়?

(ছ) কৈশোৰ কালৰ বাবে প্ৰস্তুত কৰা মাধ্যমিক স্তৰৰ পাঠ্যক্ৰমত থকা চাৰিটা মৌলিক বিষয় কি কি?

(জ) ক্ৰিয়া বিভক্তিৰ দুটা উদাহৰণ দিয়া।

(ঝ) তলৰ শব্দকেইটাত প্ৰয়োগ হোৱা প্ৰত্যয়ৰ নাম লিখি ভাঙি দেখুওৱা ঃ (যিকোনো দুটা)

খেতিয়ক, খাৱন, শোৱন, ধাননি, নাচনী।

(ঞ) অসমীয়া কবিতাৰ আধুনিক যুগ সৃষ্টিত অৰিহণা যোগোৱা দুখন আলোচনীৰ নাম লিখা।

(ট) কিশোৰ সংস্কৃতি কি?

(ঠ) 'মোৰ মাতৃমুখ দৰ্শন' শীৰ্ষটিত 'মাতৃ' শব্দৰে কি বুজোৱা হৈছে? কিমান বছৰৰ পিছত লেখকৰ 'মাতৃমুখ' দৰ্শন হৈছিল?

(ড) 'ককাই, মোৰ ওপৰত খং নকৰিবা, মোৰ হাতত একোৱেই নাই।' — কোনে কি প্ৰসংগত এই উক্তি কৰিছিল?

(ঢ) 'শ্ৰদ্ধয়া দেয়ম্' 'অশ্ৰদ্ধয়া অদেয়ম্' মানে কি?

(ণ) ভূদেৱ চৌধুৰীয়ে প্ৰশান্ত শৰ্মালৈ কিয় চিঠি লিখিছিল?

(ত) বৰগীত কাক বোলে? বৰগীতৰ বিষয়বস্তুক কেইটা ভাগত ভগাব পাৰি?

(থ) কবিয়ে ঈশ্বৰক কিয় 'বিশ্ব খনিকৰ' বুলি অভিহিত কৰিছে?

৩। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ কৰা ঃ (যিকোনো ৮ টা) $4 \times 8 = 32$

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ গুৱাহাটীক ভাল লগাৰ কাৰণকেইটা উল্লেখ কৰা।

(খ) কথা-কবিতা বুলিলে কি বুজা? কবিতা আৰু কথা-কবিতাৰ মাজত কি কি পাৰ্থক্য আছে?

(গ) বৰ্তমান সময়ত চিঠিৰ প্ৰাসংগিকতা কিয় কমি গ'ল?

(ঘ) বৈজ্ঞানিক মানসিকতাৰ অভাৱত আমাৰ সমাজত বৰ্তি থকা অন্ধবিশ্বাস সমূহৰ বিষয়ে উল্লেখ কৰা।

(ঙ) 'উঠৰে উঠ বাপু গোপাল হে' — বৰগীতটিত যশোদাৰ মাতৃ হৃদয়ৰ স্নেহ কিদৰে প্ৰকাশ পাইছে বৰ্ণনা কৰা।

(চ) 'আঘোণৰ কুঁৱলী' কবিতাটিত প্ৰকাশিত আঘোণৰ পথাৰৰ মন পৰশা চিত্ৰখন বৰ্ণনা কৰা।

(ছ) 'কৰুণতম' কবিতাত প্ৰকাৰান্তৰে গ্ৰাম্য জীৱন আৰু নগৰীয়া জীৱনৰ সংঘাতৰ চিত্ৰ অংকন হোৱা বুলি ক'ব পাৰি নেকি বিচাৰ কৰা।

(জ) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা ঃ (যিকোনো দুটা)

অ) "কৰ্মই জীৱন আৰু কৰ্মহীনতাই প্ৰকৃত মৃত্যুস্বৰূপা"

আ) "অকণকো চিন চাব ধৰা ওপৰত
সত্ত্বঃ ৰজঃ তমো গুণ
সকলোতে নিৰগুণ
বোলে হুনু বিশ্বগিৰি সেই মহাজন।"

ই) "হায় হতভাগা থাকে আন্ধাৰত
বিশ্বশিল্পী মহা বিশ্বৰ
কৰে হাহাকাৰ বিলয় বিকাৰ
প্ৰতিদান নাই কৰ্মৰ
কাঠমিস্ত্ৰীৰ ঘৰা"

(ঝ) বৃহৎ প্ৰত্যয় আৰু তদ্ধিত প্ৰত্যয়ৰ সংজ্ঞা লিখি উদাহৰণ দিয়া।

৪। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ কৰা ঃ (যিকোনো ৩ টা) $3 \times 5 = 15$

(ক) বৈজ্ঞানিক মানসিকতা মানে কি? বুজাই লিখা।

(খ) গুৰুৱে শিক্ষাৰ্থীক সমাপ্ত হোৱা পিছত কি কি উপদেশ দিছিল?

(গ) কৈশোৰ কালত হোৱা বিভিন্ন বিকাশ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(ঘ) 'বিশ্ব খনিকৰ' কবিতাটিৰ মূলভাৱ লিখা।

(ঙ) বিভক্তি কাক বোলে? অসমীয়া ভাষাত বিভক্তি কেই প্ৰকাৰৰ আৰু কি কি? উদাহৰণসহ আলোচনা কৰা।

(চ) তলৰ জতুৱা ঠাঁচবোৰৰ অৰ্থ লিখি বাক্য গঠন কৰা ঃ (যিকোনো পাঁচটা)

পিঠি দিয়া, চকু চৰহা, কাণে-কাণ মাৰি, কঁকালত টঙালি বন্ধা, কপাল ফুলা, হাত লৰ, গাৰ নোম ডাল ডাল হোৱা, হিয়াৰ আমঠু, হাত দীঘল, ঊনৈশত বা বলা।

৫। তলৰ পৰা যিকোনো এটা বিষয় লৈ এখন ৰচনা প্ৰস্তুত কৰা ঃ 10

(বন্ধনীৰ ভিতৰত দিয়া বিষয়সমূহৰ উপৰিও নিজৰ ফালৰ পৰা সংযোগ কৰিব পাৰা)

**(ক) ক'ৰ'ণা অতিমাৰী আৰু জনজীৱনত ইয়াৰ প্ৰভাৱ।**

(ক'ৰ'ণা অতিমাৰী কি — জনজীৱনত ক'ৰ'ণা অতিমাৰীৰ প্ৰভাৱ (সামাজিক, শৈক্ষিক, সাংস্কৃতিক, আৰ্থিক আদি দিশত প্ৰভাৱ) — ক'ৰ'ণা অতিমাৰীয়ে সৃষ্টি কৰা পৰিস্থিতৰ পৰা প্ৰতিকাৰৰ উপায়— সামৰণি)

**(খ) সাংস্কৃতিক সমন্বয়ৰ ক্ষেত্ৰ অসম**

(সংস্কৃতিৰ অৰ্থ — অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সংস্কৃতি (সাংস্কৃতিক উপাদানসমূহ — উৎসৱ-পাৰ্বন, ব্যৱহৃত সামগ্ৰী, খাদ্যাভ্যাস, গীত, নৃত্য, বাদ্য-যন্ত্ৰ, পোছাক-পৰিচ্ছদ, আ-অলংকাৰ— সামৰণি)

**(গ) অনলাইন শিক্ষা পদ্ধতি ঃ প্ৰয়োগ আৰু প্ৰভাৱ**

(অনলাই শিক্ষা পদ্ধতি কি — ইয়াৰ প্ৰকাৰ, মাধ্যম আৰু প্ৰয়োগ ব্যৱস্থা — অনলাইন শিক্ষা পদ্ধতিৰ ইতিবাচক আৰু নেতিবাচক দিশ—অনলাইন শিক্ষা পদ্ধতিৰ উত্তৰণত ল'ব পৰা ব্যৱস্থা— সামৰণি)

**(ঘ) আনুষ্ঠানিক শিক্ষাৰ পাঠ্যক্ৰমত ক্ৰীড়া বিষয়ৰ অন্তৰ্ভুক্তি**

(আনুষ্ঠানিক শিক্ষা কি ?—আনুষ্ঠানিক শিক্ষাৰ বিষয় হিচাপে ক্ৰীড়া বিষয়—ক্ৰীড়া বিষয়ৰ পাঠ্যক্ৰমত থাকিব পৰা দিশসমূহ—সামৰণি)

☆☆☆